**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-05-2024
**Time :** 0705 Hrs.

### *Assamese Morning Bulletin*
### *HEADLINES*

১। দেশত লোকসভা নিৰ্বাচনৰ পৰৱৰ্ত্তী দুটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত আছে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছে যে জম্মু-কাশ্মীৰত বিপুল হাৰত ভোটদান হৈছে আৰু এয়া গণতন্ত্ৰৰ মাপকাঠি ৰূপে পৰিগণিত হৈছে।

৩। ভাৰত বিশ্ব অৰ্থনৈতিক মঞ্চৰ ২০২৪ বৰ্ষৰ ভ্ৰমণ আৰু পৰ্যটন উন্নয়ন সূচ্যাংকত ৩৯ সংখ্যক স্থানলৈ উন্নীত হৈছে।

৪। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি ইৰাণৰ ৰাষ্ট্ৰপতি ড০ ছৈয়দ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী ড০ হোছেইন আমিৰ আব্দুল্লাহিয়ানলৈ শোকপ্ৰকাশৰ উদ্দেশ্যে দেশখনলৈ যাব।

*আৰু*

৫। কলকাতা নাইট ৰাইডাৰ্ছে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

দেশত লোকসভা নিৰ্বাচনৰ পৰৱৰ্ত্তী দুটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত আছে। বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ উদ্দেশ্যে ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ত সামৰি ল'বলগীয়া সমষ্টিসমূহত ইখনৰ পিছত সিখনকৈ নিৰ্বাচনী সভাত ভাগ লোৱা পৰিলক্ষিত হৈছে। ২৫ মে'ত আৰু ১ জুনত ষষ্ঠ আৰু সপ্তম পৰ্যায়ত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তেওঁৰ সংসদীয় সমষ্টি উত্তৰ প্ৰদেশৰ বাৰানসীত মহিলাসকলৰ এটা সমাবেশত অংশ লৈ কয় যে আই এন ডি আই মিত্ৰজোঁট মহিলা বিৰোধী আৰু তেওঁলোকে মহিলাৰ সংৰক্ষণৰ বিৰোধিতা কৰে। উত্তৰ প্ৰদেশৰ মহিলাসকলৰ সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছৰ শাসন কালত সুৰক্ষিত নাছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে যোগী আদিত্যনাথৰ নেতৃত্বত ৰাজ্যখনৰ মহিলাসকল সুৰক্ষিত আৰু নিৰাপদ অনুভৱ কৰিবলৈ লৈছে। সম্পূৰ্ণানন্দ সংস্কৃত বিশ্ববিদ্যালয়ত আয়োজিত মাতৃ শক্তি সন্মিলনত গৃহিণী, চিকিৎসক, শিক্ষক-শিক্ষয়িত্ৰী, ব্যৱসায়ী, অধিবক্তা আৰু খেলুৱৈৰ সৈতে মত-বিনিময় কৰি শ্ৰীমোডীয়ে কয় যে বিগতদ ৬০ বছৰত কোনো চৰকাৰে মহিলাৰ বিষয়ে চিন্তা কৰা নাছিল যদিও বৰ্তমানৰ চৰকাৰে মহিলাসকলক গুৰুত্ব আৰোপ কৰি নীতি প্ৰস্তুত কৰাই নহয় বৰং তেওঁলোকক সংৰক্ষণো প্ৰদান কৰিছে। ইয়াৰ আগেয়ে প্ৰয়াগৰাজত এটা ৰাজনৈতিক সমাবেশত ভাষণ দি শ্ৰীমডীয়ে বহুজন সমাজ পাৰ্টী আৰু সমাজবাদী পাৰ্টীয়ে অপৰাধী শক্তিসমূহক ৰক্ষণাবেক্ষণ দিয়া বুলি অভিযোগ তোলে। প্ৰধানমন্ত্ৰীয়ে উত্তৰ প্ৰদেশত আজি আন দুখন নিৰ্বাচনী সভাত ভাগ ল'ব।

আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি চণ্ডীগড়ত এখন সংবাদ মেল সম্বোধন কৰে। তেওঁ কয় যে হাৰিয়ানা আৰু পাঞ্জাবক যথেষ্ট সমৃদ্ধিশালী বুলি গণ্য কৰা হয় যদিও ৰাজ্য দুখনত কৰ্মসংস্থাপনহীনতা আৰু মুদ্ৰাস্ফীতি এতিয়াও চৰম পৰ্যায়ত আছে। সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে

কালি তৃণমূল কংগ্ৰেছ প্ৰাৰ্থী ললিতেশ পতি ত্ৰিপাঠীৰ সমৰ্থনত ভাদোহিত প্ৰচাৰ চলায়। তেওঁ কয় যে বিজেপিয়ে এইবাৰৰ নিৰ্বাচনত সমগ্ৰ দেশত ১৪০খন আসনতো জয়লাভ নকৰে।

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত বিভিন্ন আগশাৰীৰ নেতাসকলৰ অংশগ্ৰহণৰ লগে লগে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। দিল্লীৰ ভোটদাতাসকলে ষষ্ঠ পৰ্যায়ত ৰাষ্ট্ৰীয় ৰাজধানীৰ গুৰুত্বপূৰ্ণ আসনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। দিল্লীৰ বিভিন্ন প্ৰান্তত ভোটাৰক আকৰ্ষণ কৰিবলৈ তীব্ৰ প্ৰচাৰ চলোৱা হৈছে। এই মাত্ৰাত গতি প্ৰদান কৰি দিল্লীৰ নিৰ্বাচনী সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি ভাষণ দিব। প্ৰধানমন্ত্ৰী মোডীয়ে বিজেপি প্ৰাৰ্থী কাৰালজিত দেহৰাৱটৰ হৈ দ্বাৰকাত এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ বিপৰীতে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ভালছোৱা ডেইৰীত এখন জনসভাত অংশগ্ৰহণ কৰিব। শ্ৰীখাৰ্গেই দলীয় প্ৰাৰ্থী উদিত ৰাজৰ হৈ প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ আজি নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে পশ্চিম বংগলৈ যাব। ভ্ৰমণকালত শ্ৰীশ্বাহে কাণ্ঠি সংসদীয় সমষ্টিত এখন জনসভাত ভাগ ল'ব। পাছত নেতাগৰাকীয়ে ঘাটল, পুৰুলীয়া আৰু বাঁকুড়াত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰত ভাগ ল'ব। একেদৰে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি কলকাতা উত্তৰ আৰু কলকাতা দক্ষিণ লোকসভা সমষ্টিত দলৰ হকে প্ৰচাৰ চলাব। পাছত তেওঁ বাৰাছাত লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰোড শ্ব'ত ভাগ ল'ব।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছে যে জম্মু-কাশ্মীৰত বিপুল হাৰত ভোটদান হৈছে আৰু এয়া গণতন্ত্ৰৰ মাপকাঠি ৰূপে পৰিগণিত হৈছে। ব্যক্তিগত নিউজ চেনেলক দিয়া এটা সাক্ষাৎকাৰত শ্ৰীমোডীয়ে কয় যে কাশ্মীৰত ভোটদানৰ হাৰে বিগত ৩০-৪০ বছৰৰ অভিলেখ ভংগ কৰিছে।

মুদ্ৰাস্ফীতি সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমোডীয়ে ভাৰতত আন দেশৰ তুলনাত মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত আছে বুলি দাবী কৰে। তেওঁ কয় যে বৰ্তমান ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ বাবে খাদ্য, ইন্ধন আৰু সাৰৰ মূল্যৰ ওপৰত পোনপটীয়া প্ৰভাৱ পৰিছে। তেওঁ কয় যে অন্য দেশৰ খেতিয়কে প্ৰতি বস্তাত ৩ হাজাৰ দৰত ইউৰিয়া লাভ কৰি আছে, কিন্তু ভাৰতৰ খেতিয়কসকলে ইয়াৰ বাবদ মাত্ৰ ৩শ টকা ভৰিবলগীয়া হৈছে।

০০০০০০০

বিৰোধীৰ বিৰুদ্ধে ক'লা ধন বৈধকৰণ প্ৰতিৰোধী আইনক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ অভিযোগত কালি আম আদমী পাৰ্টীয়ে বিজেপিৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত আপৰ জ্যেষ্ঠ নেত্ৰী আতিশীয়ে কয় যে দিল্লীত সংঘটিত হোৱা সুৰা কেলেংকাৰিৰ অভিযোগ বিজেপিৰ আম আদমী পাৰ্টী ভংগ কৰাৰ এটা ষড়যন্ত্ৰ। দিল্লী উচ্চ ন্যায়ালয়ে আপৰ জ্যেষ্ঠ নেতা মনীষ ছিছ'দিয়াৰ জামিন আবেদন নাকচ কৰাত অসন্তুষ্টি প্ৰকাশ কৰি অভিযোগ কৰে যে বিজেপি চৰকাৰে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাক ব্যৱহাৰ কৰি ৰাজনৈতিক ষড়যন্ত্ৰ ৰচনা কৰিছে। এই সমগ্ৰ গোচৰটো কাৰোবাৰ হেঁচাত লোৱা ব্যক্তব্যৰ ওপৰত ভিত্তি কৰি কৰা হৈছে বুলিও তেওঁ অভিযোগ কৰে।

০০০০০০০

উচ্চ শিক্ষা সচিব সঞ্জয় মূৰ্তিয়ে কালি ৰাষ্ট্ৰীয় উচ্চ শিক্ষা শিক্ষক বঁটাৰ মনোনয়নৰ বাবে এটা পোৰ্টেল মুকলি কৰে। দেশৰ কাৰিকৰী আৰু অ-কাৰিকৰী উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু পলিটেকনিক প্ৰতিষ্ঠানসমূহৰ শিক্ষক-শিক্ষয়িত্ৰীক এই বঁটা প্ৰদান কৰা হয়। শিক্ষা মন্ত্ৰালয়ে কৈছে যে বাছনিপ্ৰাপ্ত বঁটা প্ৰাপকসকলক প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি ৫ ছেপ্টেম্বৰত শিক্ষক দিৱসৰ দিনা এই

বঁটাৰে সন্মানিত কৰা হ'ব। মন্ত্ৰালয়ে কৈছে যে এই বঁটাৰ বাবে নাম মনোনয়ন কৰাৰ বাবে স্নাতক অথবা স্নাতকোত্তৰ পৰ্যায়ত কমেও পাঁচ বছৰৰ পূৰ্ণকালীন শিক্ষাৰ অভিজ্ঞতা থাকিব লাগিব। নাম মনোনয়নৰ বাবে ২০ জুন অন্তিম দিন ধাৰ্য কৰা হৈছে।

0000000

ভাৰত বিশ্ব অৰ্থনৈতিক মঞ্চৰ ২০২৪ বৰ্ষৰ ভ্ৰমণ আৰু পৰ্যটন উন্নয়ন সূচ্যাংকত ৩৯ সংখ্যক স্থানলৈ উন্নীত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ এই তালিকাত শীৰ্ষত আছে। দক্ষিণ এছিয়াৰ নিম্ন মধ্য আয়ৰ অৰ্থব্যৱস্থাসমূহৰ ভিতৰত ভাৰত শীৰ্ষত আছে। ইয়াৰ পূৰ্বে ২০২১ বৰ্ষত প্ৰকাশ পোৱা এই সূচ্যাংকত ভাৰত ৫৪ সংখ্যক স্থান আছিল।

0000000

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি ইৰাণ ভ্ৰমণ কৰিব। ভ্ৰমণৰ সময়ছোৱাত তেওঁ যোৱা দেওবাৰে হেলিকপ্তাৰ দুৰ্ঘটনাত মৃত্যুবৰণ কৰা ইৰাণৰ ৰাষ্ট্ৰপতি ড০ ছৈয়দ ইব্ৰাহিম ৰাইছি, বিদেশ মন্ত্ৰী ড০ হোছেইন আমিৰ আব্দুল্লাহিয়ান আৰু ইৰাণৰ অন্যান্য বিষয়াসকলৰ শোকসভাৰ এটা আনুষ্ঠানিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ইৰাণ চৰকাৰ আৰু জনসাধাৰণৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে। বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে কালি নতুন দিল্লীত ইৰাণৰ ইছলামিক গণৰাজ্যৰ দুতাবাস পৰিদৰ্শন কৰি দেশৰ হৈ শোক প্ৰকাশ কৰে। ভাৰতে কালি এদিনীয়া ৰাষ্ট্ৰীয় শোক পালন কৰে।

0000000

কলকাতা নাইট ৰাইডাৰ্ছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদক আঠ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। কলকাতা নাইট ৰাইডাৰ্ছে মাত্ৰ ১৬০ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৩ অভাৰ আৰু চাৰিটা বলত দুটা উইকেট হেৰুৱাই ১৬৪ ৰাণ কৰে। কলকাতাৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে ২৪টা বলত ৫৮ ৰাণ আৰু ভেংকটেশ আয়াৰে ২৮টা বলত ৫১ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১৯ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৯ ৰাণ কৰে। হায়দৰাবাদৰ হৈ ৰাহুল ত্ৰিপাঠীয়ে ৩৫টা বলত সৰ্বাধিক ৫৫ ৰাণ কৰে। কলকাতাৰ মিচেল ষ্টাৰ্কে তিনিটা উইকেট দখল কৰে। ষ্টাৰ্কক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি একেখন ষ্টেডিয়ামত হ'বলগীয়া এলিমিনেটৰ খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে শুকুৰবাৰে হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত খেলাৰ সুযোগ লাভ কৰিব। দেওবাৰে প্ৰতিযোগতাৰ চূড়ান্ত খেলখন অনুষ্ঠিত হ'ব।

0000000

ভাৰতীয় পুৰুষ আৰু মহিলা দলে কালি থাইলেণ্ডৰ বেংককত অনুষ্ঠিত এছিয়ান ৰিলে চেম্পিয়নশ্বিপৰ ফ'ৰ ইনটু ফ'ৰ হাণ্ড্ৰেড মিটাৰ ৰিলে দলৰ দুটা ৰূপৰ পদক অৰ্জন কৰে। মহম্মদ অনছ চাহিয়া, টি সন্তোষ কুমাৰ, মিজো চাকো কুৰিয়ন আৰু ৰাজীৱ অৰোকিয়াক লৈ গঠিত ভাৰতীয় দলটোৱে পুৰুষ শিতানত দ্বিতীয় স্থান দখল কৰিবলৈ সক্ষম হয়। এই শিতানত শ্ৰীলংকাই সোণৰ আৰু ভিয়েটনামে ব্ৰঞ্জৰ পদক লাভ কৰে। মহিলা শাখাত ভাৰতৰ ৰিধ্যা ৰামৰাজ, এম আৰ পুৱম্মা, ৰূপন আৰু প্ৰাচী চৌধুৰীয়ে দ্বিতীয় স্থানত সন্তুষ্ট থাকিবলগীয়া হয়। এই শাখাত ভিয়েটনামে সোণৰ আৰু জাপানে ব্ৰঞ্জৰ পদক লাভ কৰে।

উল্লেখযোগ্য যে ভাৰতৰ পুৰুষ আৰু মহিলা ৰিলে দলে ইতিমধ্যে পেৰিচ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছে।

০০০০০০০

**সমাপ্ত**